গ্ৰন্থগাৰিক দিৱস

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

১২ আগষ্ট, ২০১৫

# মুখ্য অতিথিৰ ভাষণ

ডঃ হিতেশ ডেকা
উপাচাৰ্য
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গুৱাহাটী

# পুথিভঁৰালৰ সামাজিক দায়িত্ব ঃ


## জ্ঞানৰ প্ৰসাৰ, সংৰক্ষণ তথা পৰিবৰ্দ্ধন

প্ৰথম পৰ্ব | ১ |

## পুথিভঁৰালে কি কৰে, পুথিভঁৰালৰ পৰা সমাজে কি বিচাৰে?

মানুহৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিবলৈ গৈ গ্ৰীক মনীষী এৰিষ্ট'টলে তাহানিয়ে উচ্চাৰণ কৰিছিল এটা সত্য ঃ Man is a rational animal. অৰ্থাৎ মানুহৰ মাজত যুক্তিৰ প্ৰতি আগ্ৰহ আছে আৰু যুক্তিকে আধাৰ কৰি মানুহে নিজৰ কাম-কাজৰ যথাৰ্থতাক সমাজৰ দহজনৰ আগত সাব্যস্ত কৰিব খোজে। আন কথাত প্ৰতিজন মানুহে প্ৰত্যেক কামৰ কাষে কাষে যুক্তিৰ এক শৃংখল তৈয়াৰ কৰি ল'ব বিচাৰে। বিখ্যাত দাৰ্শনিক বাৰ্ণাৰ্ড উইলিয়ামছে *Morality* নামৰ গ্ৰন্থত এটা প্ৰশ্ন তুলিছে ঃ Why should I do anything? —মই কিবা কিয়নো কৰিব লাগে? এই প্ৰশ্নৰ উত্তৰত যেন লুকাই আছে এনে এক চিন্তা, যাৰ আধাৰ হ'ল সকলো কথাই অৰ্থহীন, সেয়েহে কিবা এটা যুক্তিৰ যোগান ধৰিব নোৱাৰিলে মোৰ আচৰণৰ যথাৰ্থতাক সাব্যস্ত কৰিব নোৱাৰিম। অৱশ্যে নৈতিকতাৰ আধাৰ ৰূপে যুক্তিক কিমান দূৰলৈ আগুৱাই লৈ যাব পাৰি সেয়া দাৰ্শনিক পৰ্যায়ত সীমাহীন তৰ্ক-বিতৰ্কৰ বিষয়। কিন্তু মানুহ হিচাপে আমি কিছুমান কথাত গুৰুত্ব দিও। গ্ৰহণ বৰ্জনৰ মাজেৰে আমি কেতবোৰ লক্ষ্য আৰু আগ্ৰহক জীৱনৰ সংগী কৰি লওঁ। এই ক্ষেত্ৰত আমাক নানান কথাই প্ৰভাৱিত কৰে আৰু সেই কথাবোৰ যুক্তিৰ নিকপ্‌কপীয়া, পানী নসৰকা কোঠালিৰ মাজেৰে পাৰ হৈ নাহিবও পাৰে।

গ্ৰন্থক সংৰক্ষণ য'ত কৰি ৰখা হয়, তাকে পুথিভঁৰাল বুলি আমি বুজো। এখন সমাজত এটা পুথিভঁৰাল থাকিব লাগে নে নালাগে তাক লৈ কোনেও প্ৰশ্ন নোতোলে। কিন্তু পুথিভঁৰালটোৰ যোগেদি আমি কি ধৰণৰ



দায়িত্বক বহন কৰিব পাৰো নাইবা কেনেধৰণৰ সামাজিক সক্ৰিয়তাক প্ৰদৰ্শন কৰিব পাৰো তাক লৈ সমগ্ৰ পৃথিৱীত বিস্তৃত আলোচনা হৈ থকাৰ খবৰ সহজেই পাব পাৰি। অৰ্থাৎ পুথিভঁৰালৰ সামাজিক উপযোগিতাক লৈ আমি প্ৰশ্ন উত্থাপন কৰো। এৰিষ্ট'টলে সোঁৱৰাই দিয়াৰ দৰে যুক্তিবাদী জীৱ হিচাপে আমি সমাজৰ আন সকলোলৈকে এই যুক্তিক প্ৰসাৰিত কৰিব খোজো। সামাজিক প্ৰাণী হিচাপে আমি বিচাৰো যে আমি যুক্তিৰ আধাৰত এখন সমাজ গঢ়ো, য'ত আমাৰ আচৰণসমূহে এক বিশেষ শৃংখলাৰ মাজেৰে আগবাঢ়ি নিজৰ লগতে আনকো অনুপ্ৰাণিত কৰিব পাৰে।


নৈতিক দৰ্শনত যি অৰ্থত আমি যুক্তিৰ সন্ধান কৰো, সেই অৰ্থত কিন্তু পুথিভঁৰালৰ আলোচনাত আমি যুক্তিক বিচাৰি নুফুৰো। ইয়াত যুক্তিৰ যোগেদি আমি আমাৰ কাম-কাজে কেনেকৈ সমাজত প্ৰভাৱ বিস্তাৰ কৰাৰ এক বাট খুলি দিব পাৰে, সেয়াহে দাঙি ধৰিব খোজো।

আমি সামাজিক জীৱ। সমাজক বাদ দি আমাৰ ব্যক্তিগত অস্তিত্বৰ বিশেষ মূল্য নাই। মহাযোদ্ধা আলেকজেণ্ডাৰে প্ৰাচ্যৰ অনেক দেশত বিজয়ধ্বজা উৰুৱাই পশ্চিমৰ ফাললৈ উভতি যোৱাৰ পাছত, সেই দেশৰ ভাবুকসকলে চিন্তাৰ পৰিমণ্ডলত এক বিশেষ প্ৰশ্নৰ যোগ দিলে। আলেকজেণ্ডাৰৰ অভিযানৰ পূৰ্বতে প্ৰশ্নটো আছিল ঃ *ৰাষ্ট্ৰই কিদৰে ইয়াৰ নাগৰিকসকলৰ জীৱন সুখময় কৰি তুলিব?* আনহাতে আলেকজেণ্ডাৰৰ পৰৱৰ্তী চিন্তাবিদসকলে সুধিবলৈ ল'লে ঃ *এই অনিশ্চিত আৰু আশংকাময় পৃথিৱীত নাগৰিকসকলে কিদৰে শান্তি-সমৃদ্ধি আৰু ভাগ্যান্বেষণ কৰিব?*

আলেকজেণ্ডাৰৰ প্ৰসংগ এই কাৰণেই অনা হ'ল যে তেওঁৰ নামৰ সৈতে সাঙোৰ খাই থকা চহৰখনতেই প্ৰতিষ্ঠিত হৈছিল এটা বিখ্যাত পুথিভঁৰাল। আনুমানিক সাত লাখৰো অধিক গ্ৰন্থ (পেপিৰাচৰ মেৰ খাই থকা নুৰাসমূহ)ৰে সমৃদ্ধ হৈছিল এই পুথিভঁৰাল। প্ৰাচীন জগতৰ জ্ঞান চৰ্চা আৰু সংৰক্ষণ স্পৃহাৰ নিদৰ্শন আছিল এই বিৰাট গ্ৰন্থাগাৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ জ্ঞানান্বেষীসকলে ইয়াত সময় পাৰ কৰিছিল। চৰ্ত আছিল যিসকলে ইয়াত জ্ঞান-চৰ্চা কৰিব, তেওঁলোকে তেওঁলোকৰ কামৰ খতিয়ান পেপিৰাচৰ নুৰাৰ ৰূপত ইয়াত এৰি থৈ যাব লাগিব। পুথিভঁৰালৰ ইতিহাসত এই আলেকজেণ্ড্ৰিয়াৰ পুথিভঁৰালক বিশেষ মৰ্যাদা দিয়া হয়। ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত এই পুথিভঁৰালে বিজ্ঞান, দৰ্শন, গণিতকে ধৰি জ্ঞানৰ জগতৰ সকলোবোৰ বিষয়ৰ চৰ্চাক প্ৰতিনিধিত্ব কৰিছিল।

বহুতৰ মতে বিশ্বায়ন (globalisation)ৰ অভিমুখে আমাৰ যি যাত্ৰা তাৰ প্ৰাৰম্ভিক পদক্ষেপ আছিল আলেকজেণ্ড্ৰিয়াৰ এই মহা মূল্যবান পুথিভঁৰাল। কালৰ সোঁতত এই পুথিভঁৰালে এদিন বিদায় ল'লে। এক সূত্ৰ অনুসৰি জুলিয়াচ চিজাৰে ১০১খন জাহাজ আলেকজেণ্ড্ৰিয়াৰ সমীপত ৪৮ খ্ৰীষ্টপূৰ্বত জ্বলাই দিয়াৰ লগে লগে পুথিভঁৰালটোকো অগ্নিৰ লেলিহান শিখাই গ্ৰাস কৰিলে। অৱশ্যে এই কথাৰ সত্যতা সম্পৰ্কে ইতিহাসবিদসকল নিঃসন্দেহ নহয়। কাৰণ জুলিয়াচ চিজাৰৰ বহুদিন পাছতো গ্ৰীক ভূগোলবিদ ষ্ট্ৰেব'য়ে এই পুথিভঁৰালত অধ্যয়ন কৰাৰ বিষয়ে উল্লেখ আছে। সি যি কি নহওক আলেকজেণ্ড্ৰিয়াৰ এই পুথিভঁৰাল ধ্বংস হোৱাৰ পিছতে ওচৰৰে Serapeumত কিছু গ্ৰন্থ গ্ৰন্থপ্ৰেমীকসকলে সংৰক্ষণ কৰি ৰাখিলে।






ইতিহাসে দেখুৱাইছে যে পুথিভঁৰালক সকলোৱে আক্ৰমণৰ লক্ষ্য কৰি লৈছে। ইয়াৰ কাৰণ পুথিভঁৰাল বিৰাট সামাজিক ভূমিকা। এটা অঞ্চলৰ, এটা জাতিৰ জীৱন আৰু দৰ্শনত ই পেলোৱা সৰ্বগ্ৰাসী প্ৰভাৱ। আমি আলেকজেণ্ড্ৰিয়াৰ কথা ক'লৈও ভাৰতত থকা নালন্দাৰ বিখ্যাত পুথিভঁৰালটোক পাহৰি গ'লে নচলিব। দৰাচলতে এই পুথিভঁৰালত সংৰক্ষিত হৈ থকা গ্ৰন্থৰ সংখ্যাও কম নহয়। আনহাতে মানৱ চিন্তাত ইয়াত সংৰক্ষিত হৈ থকা গ্ৰন্থসমূহেও বিৰাট প্ৰভাৱ পেলাইছে। বৰ্তমানৰ পাটনা চহৰৰ পৰা ৯৫ কিলোমিটাৰ নিলগৰ এক অঞ্চলত অৱস্থিত এই পুথিভঁৰাল পঞ্চম শতিকাৰ পৰা ১৩ শতিকালৈকে সক্ৰিয় হৈ আছিল। ইয়াতেই গঢ়ি উঠিছিল নালন্দা বিশ্ববিদ্যালয়। ইউৰোপে যেতিয়া উচ্চ শিক্ষাৰ পোহৰেই পোৱা নাছিল, তেতিয়াই নালন্দাত জ্ঞানৰ অভাৱনীয় বিকাশ ঘটিছিল। প্ৰথিতযশা বিদ্বান অমৰ্ত্য সেনৰ মতে ইয়াতেই গঢ়ি উঠিছিল পৃথিৱীৰ প্ৰাচীনতম বিশ্ববিদ্যালয় যি যোগান ধৰিছিল 'higher education to thousands of students from Asian countries for more than six hundred years... by the time the first European university was established in Bologna in 1088.' অৰ্থাৎ ব'ল'গনাৰ যোগেদি ইউৰোপে আধুনিক উচ্চ শিক্ষাৰ পোহৰ লাভ কৰাৰ পূৰ্বে ভাৰতত উচ্চ শিক্ষাই ইয়াৰ জনগণৰ মন উজ্বলাই তুলিছিল। আৰু অকল ভাৰতেই নহয়, তিব্বত, চীন, কোৰিয়া আৰু মধ্য এছিয়াৰ অনেক বিদ্বানো এই পুথিভঁৰাললৈ জ্ঞানান্বেষণৰ বাবে ঢাপলি মেলিছিল।

নালন্দাৰ পুথিভঁৰালটো তিনিটা বিশাল বহু খলপীয়া অট্টালিকাৰে সমৃদ্ধ আছিল। তিব্বতত সংৰক্ষিত হৈ থকা উৎসৰ পৰা এই কথা জনা গৈছে। এই অট্টালিকাকেইটা আছিল ৰত্নসাগৰ, ৰত্নোদধি আৰু ৰত্নৰঞ্জক। ইয়াৰে ৰত্নোদধি নামৰ শাখাটোৱে অকলে ন মহলীয়া অট্টালিকাক প্ৰতিনিধিত্ব কৰিছিল। ইয়াতেই সংৰক্ষিত হৈ আছিল প্ৰজ্ঞাপাৰমিতা সূত্ৰৰ দৰে প্ৰসিদ্ধ গ্ৰন্থ। বখ্‌তিয়াৰ খিলিজিয়ে ১১৯৩ চনত আক্ৰমণ কৰি ধ্বংস নকৰালৈকে এই পুথিভঁৰালে সমগ্ৰ এছিয়াত জ্ঞানৰ পোহৰ বিলাইছিল।

আমি ক'ব পাৰো যে এছিয়াৰ মানুহখিনিৰ জীৱন দৰ্শন আৰু মনৰ জগতৰ আয়তনৰ সমৃদ্ধিকৰণত নালন্দাৰ এই পুথিভঁৰালে সৰ্ববৃহৎ ভূমিকা পালন কৰিছিল। তেনে এখন দেশত সম্প্ৰতি পুথিভঁৰালৰ ভূমিকা আৰু প্ৰয়োজনীয়তাক লৈ চিন্তা চৰ্চা কৰিবলগা কথাটোৱে আমাৰ সংস্কৃতিৰ দীনতাকে তুলি ধৰে।

ব্যক্তিগতভাৱে দুই দশকৰ অধিক কাল ৰাজ্যখনৰ উচ্চ শিক্ষাৰ সৈতে জড়িত হৈ দেখিছো যে পুথিভঁৰালৰ সামাজিক দায়বদ্ধতা আৰু উচ্চ শিক্ষাৰ সামাজিক দায়বদ্ধতাৰ মাজত গভীৰ সংযোগ আছে। নালন্দা বিশ্ববিদ্যালয়ক আমি মনত ৰাখিছো ইয়াৰ অসাধাৰণ পুথিভঁৰালৰ বাবে। হয়তো একবিংশ শতিকাত প্ৰযুক্তিয়ে আনি দিয়া অপাৰ সুবিধাৰ বাবে আমি পুথিভঁৰালক আওকাণ কৰিব পাৰো। হয়, পুথিভঁৰালে ইয়াৰ পৰম্পৰাগত শক্তিক হেৰুৱাইছে। কিন্তু পুথিভঁৰাল মানে একবিংশ শতিকাৰ







এই সময়ছোৱাত কোনেও কিছু কিতাপৰ সংগ্ৰহ বুলি নাভাবে। পুথিভঁৰালে সম্প্ৰতি এক বিৰাট সামাজিক দায়িত্বৰ মাজলৈ নিজকে আগুৱাই দিছে। উচ্চ শিক্ষাৰ সামাজিক দায়িত্বৰ যিবোৰ ক্ষেত্ৰ, সেই একেবোৰ ক্ষেত্ৰ লাহে লাহে পুথিভঁৰালৰ আওতাৰ ভিতৰলৈ আহিছে। পুথিভঁৰালৰ সৈতে অকল ছাত্ৰ-ছাত্ৰী বা গৱেষকৰ সম্বন্ধক লৈ আজি আৰু কোনো ব্যস্ত হৈ থাকিব নোখোজে। তাৰ পৰিৱৰ্তে পুথিভঁৰাল ৰূপান্তৰিত হৈছে এক বিৰাট সামাজিক পৰিঘটনালৈ। আনকি সমাজ এখনৰ উন্নতিৰ মাপকাঠি ৰূপে কিছুমান সমীক্ষাই সেই সমাজখনৰ কিমান সংখ্যক মানুহ পুথিভঁৰাললৈ যায়, তাৰ হিচাপ দাঙি ধৰিবলৈ আৰম্ভ কৰিছে। অৰ্থাৎ পুথিভঁৰালৰ সৈতে আমাৰ সম্পৰ্ক সামাজিক অৱস্থাৰ এক সূচক (social indicator)। *The European Bureau of Library, Information and Documentation Associations*-এ ইউৰোপীয় সম্প্ৰদায়ক লৈ কৰা এক সমীক্ষাই দেখুৱাইছে যে ২০১২-১৩ বৰ্ষত ১০০ মিলিয়ন ইউৰোপীয় লোকে তেওঁলোকৰ ৰাজহুৱা পুথিভঁৰালসমূহলৈ গৈছে আৰু ১৪ মিলিয়ন লোকে এই পুথিভঁৰালত থকা ইণ্টাৰনেটৰ সুবিধা গ্ৰহণ কৰিছে। আনহাতে অঞ্চলটোৰ ২৪ মিলিয়ন বৃদ্ধ লোক, সংখ্যালঘু গোষ্ঠী আৰু গ্ৰাম্যাঞ্চলৰ লোকে এই সময়ছোৱাত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাগ্ৰহণৰ বাবে এনে পুথিভঁৰালকে ব্যৱহাৰ কৰিছে। ইয়াৰ বাহিৰেও এই সময়ছোৱাত ১.৫ নিযুত লোকে চাকৰিৰ বাবে পুথিভঁৰালৰ ইণ্টাৰনেট সংলগ্ন কম্পিউটাৰ ব্যৱস্থাক ব্যৱহাৰ কৰি নিয়োজনৰ সন্ধান কৰিছে। লগতে ২ লাখ ৫০

হাজাৰ লোকে পুথিভঁৰালে যোগান ধৰা সুবিধাৰ যোগেদি জীৱন নিৰ্বাহৰ বাবে চাকৰি বিচাৰি পাইছে। অৰ্থাৎ ইউৰোপৰ দৰে অঞ্চলত, য'ত তথ্য সৰবৰাহৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ কল্পনাই আমি কৰিব নোৱাৰো, তেনে অঞ্চলত পুথিভঁৰালে যদি এনেদৰে নিয়োজনৰ বজাৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে; তেনেহ'লে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ অসম বা উত্তৰ-পূবৰ দৰে অনগ্ৰসৰ অঞ্চলত পুথিভঁৰাল ব্যৱস্থাই কিয় নিজকে সমাজ পৰিৱৰ্তনৰ এক মঞ্চৰূপে থিয় কৰাব নোৱাৰে?

Public Library Associationৰ এক প্ৰকাশনত কিয়নো এটা পুথিভঁৰাল এখন চহৰৰ বা এটা অঞ্চলৰ গুৰুত্বপূৰ্ণ অংশ তাৰ ২৩টা যুক্তি দাঙি ধৰা হৈছে। ২০১৩ত দাঙি ধৰা এই যুক্তিসমূহে পুথিভঁৰালৰ নতুন দায়িত্ববোধ আৰু সামাজিক ভূমিকালৈ আমাক প্ৰত্যক্ষভাৱে আঙুলিয়াই দিছে। এই আলোচনাই পুথিভঁৰালক একবিংশ শতিকাত পাঁচটা নতুন দিশৰ সৈতে সাঙুৰি দিছে ঃ সম্প্ৰদায় গঠনকাৰী শক্তিৰূপে পুথিভঁৰাল, কমিউনিটি চেণ্টাৰ ৰূপে পুথিভঁৰাল, শিল্পকলাৰ কেন্দ্ৰ ৰূপে পুথিভঁৰাল, বিশ্ববিদ্যালয় ৰূপে পুথিভঁৰাল আৰু যুৱ প্ৰজন্মক অনুপ্ৰেৰণাদায়ক শক্তিৰূপে পুথিভঁৰাল। পুথিভঁৰালৰ এই নতুন ভূমিকাৰ বিষয়ে ক'বলৈ যাওঁতে প্ৰায়ে চিকাগো চহৰৰ পূৰ্বৰ মেয়ৰ ৰিচাৰ্ড ডেলেৰ এটা মন্তব্য উদ্ধৃত কৰা হয় ঃ "Unless you are out there changing neighbourhoods, you are not completing the work you are to do". ওচৰ-চুবুৰীয়া অৰ্থাৎ আমাৰ চৌপাশৰ সমাজখনৰ পৰিৱৰ্তন কৰিবলৈ হ'লে প্ৰথম পৰিৱৰ্তনৰ






আভাস পাব লাগিব আমাৰ মনটোৱে। তাৰ পিছত এই পৰিৱৰ্তনে আমাৰ আচৰণক চুব আৰু তাৰ পিছত আমাৰ আচৰণে আমাৰ কাষৰ মানুহখিনিৰ আচৰণক প্ৰভাৱিত কৰিব। এই ক্ষেত্ৰত পুথিভঁৰালে উচ্চ শিক্ষাৰ অনুষ্ঠানৰ লেখীয়াকৈ সমপৰ্যায়ত, সমান ক্ষমতাৰে আৰু সমান আন্তৰিকতাৰে এক মঞ্চ তৈয়াৰ কৰি দিব পাৰে। কাৰণ পুথিভঁৰাল কেৱল গ্ৰন্থ আৰু প্ৰযুক্তিৰ স্থান নহয়। পুথিভঁৰালে সমাজৰ ব্যক্তিসকলৰ মনকো নিৰ্মাণ কৰাৰ শক্তিৰে সমৃদ্ধ। পুথিভঁৰালৰ দৰ্শনত সততে উদ্ধৃত এটা উক্তি হ'ল ঃ *Library is building citizens.* পুথিভঁৰালৰ যোগেদি ব্যক্তিমনৰ বিকাশ ঘটে আৰু সমাজৰ বিশেষ বিশেষ প্ৰয়োজনসমূহক পূৰণ কৰিবৰ বাবে যিবোৰ আধাৰৰ প্ৰয়োজন তাৰ এক মাৰ্গ দৰ্শন সম্ভৱপৰ হৈ উঠে। পুথিভঁৰালে ইয়াৰ সামাজিক দায়বদ্ধতাৰ জৰিয়তে সামাজিক অচলাৱস্থাক, সমাজৰ বৈষম্যক দূৰ কৰিব পাৰে। Keith Richards-এ সোঁৱৰাই দিছে ঃ *The public library is the great equalizer.* অৰ্থাৎ এখন সুষম সমন্বয়মুখী সমাজ গঠনৰ বাবে পুথিভঁৰালে ইয়াৰ নাগৰিকসকলৰ আগত অপাৰ ঐশ্বৰ্যৰ, সীমাহীন সম্ভাৱনাৰ, অনন্ত সুযোগৰ দুৱাৰখনক খুলি দিব পাৰে।

আমি এখন প্ৰযুক্তিভিত্তিক সমাজত বাস কৰো। সেয়েহে প্ৰযুক্তিৰ সুবিধা সমাজৰ সকলোৱে সমানে পাব নোৱাৰিলে এই সমাজত স্বাভাৱিকতে অধিক বৈষম্যৰ বাট খোল খাই যাব। সেয়েহে পুথিভঁৰালে নিত্য নতুন সক্ৰিয়তাৰে নতুন নতুন কাৰ্যক্ৰমণিকাকে ইয়াৰ পৰিসীমাৰ ভিতৰলৈ আনি ল'লে, এখন অৰ্থপূৰ্ণ আৰু সহৃদয়ৱান সমাজৰ গঠন সম্ভৱপৰ হৈ উঠিব।

## উমৈহতীয়া মঞ্চ, মত বিনিময়ৰ আধাৰ ৰূপে উচ্চ শিক্ষা আৰু পুথিভঁৰাল

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে ভাৰতৰ আত্মা ইয়াৰ গ্ৰাম্য অঞ্চলতহে বৰ্তি আছে। এই কথাটোৰ তাৎপৰ্য কেইবাটাও। প্ৰথমতে, গ্ৰাম্য জীৱনৰ সৰলতা, স্পষ্টতা আৰু দায়বদ্ধতাৰ প্ৰতি ই এক ইংগিত। দ্বিতীয়তে, জীৱনত সুখী হোৱাৰ আৰু সন্তুষ্ট হৈ থকাৰ এক মাপকাঠি (yardstick)কো ই আমাৰ হাতত তুলি দিছে। দৰাচলতে চুমেকাৰৰ *Small is beautiful* নামৰ ধাৰণাটোৰ বীজ গান্ধীৰ এই চিন্তাতে লুকাই আছে। ভাৰতৰ আত্মা লুকাই থকা অসংখ্য গাঁওবোৰত কিন্তু পুথিভঁৰাল বৰ বিশেষ নাই। এক সমীক্ষা মতে দেশখনৰ মাত্ৰ ৮.৪ শতাংশ গাঁৱতহে ৰাজহুৱা পুথিভঁৰালৰ সুবিধা আছে। ক্ষুদ্ৰতাৰ যোগেদিয়ে সৌন্দৰ্যৰ আৱাহনৰ যিটো ধাৰণা, সি আমাক এটা পৰিপূৰ্ণ জীৱনৰ মাজলৈ আগুৱাই দিয়ে। অৰ্থাৎ গাঁও এখন স্বয়ংসম্পূৰ্ণ হ'লেহে ইয়াত সমৃদ্ধিশালী এক জীৱন সম্ভৱপৰ হ'ব। ইয়াৰ বাবে গাঁওখনে অত্যাধুনিক সা-সুবিধা লাভ কৰিব লাগিব। লগতে এই সুবিধা লাভ কৰিবলৈ যাওঁতে পৰিৱেশ সম্পৰ্কীয় কথাবোৰলৈ আমি চকু দিব লাগিব। প্ৰয়াত ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে আমাক সোঁৱৰাই দিছে যে প্ৰযুক্তি বুলি ক'লে ভাৰতবাসীৰ ধাৰণা অত্যন্ত সংকীৰ্ণ। আমি গৰিষ্ঠসংখ্যক লোকে প্ৰযুক্তি মানে ক'লা ধোঁৱাৰে ভৰা কাৰখানাৰে আবৃত এক পৰিৱেশকে বুজো। কিন্তু প্ৰযুক্তিৰ অৰ্থ বহল। ই আমাৰ জীৱনক বিভিন্ন ধৰণে, সৰহ ক্ষেত্ৰতে সদৰ্থকভাৱে প্ৰভাৱিত কৰিবলৈ সক্ষম। এই ক্ষেত্ৰত আমি পুথিভঁৰালৰ সহায় ল'ব পাৰো। উচ্চ শিক্ষাই যদিহে সমাজ সচেতনকাৰী নাগৰিকক তৈয়াৰ কৰি




দিব পাৰে, তেনেহ'লে এই নাগৰিকসকলক উচ্চ শিক্ষা লাভৰ বাবে আগুৱাই দিবলৈ যি প্ৰস্তুতিৰ দৰকাৰ সেয়া পুথিভঁৰালে বিভিন্ন কাম-কাজৰ মাজেদি সম্ভৱপৰ কৰি তুলিব পাৰে।

উচ্চ শিক্ষাৰ এটা প্ৰধান চালিকা শক্তি হ'ল আজীৱন শিক্ষাৰ ধাৰণা। আজীৱন শিক্ষাত আমি ব্যক্তিমনে অহৰহ জ্ঞান আহৰণ কৰি নিজকে সমাজৰ, দেশৰ কল্যাণত নিয়োজিত কৰাৰ এটা পৰিস্থিতিক বুজো। উচ্চ শিক্ষাই এটা প্ৰতিষ্ঠানৰূপে নিজকে আজীৱন শিক্ষাৰ একমাত্ৰ থলী বুলি চাব নোৱাৰে। সেয়েহে পুথিভঁৰালক বাদ দি উচ্চ শিক্ষাৰ এটা দৰ্শন গঢ়ি উঠিব নোৱাৰে। প্ৰাচ্য দৰ্শনৰ ধাৰণা ব্যৱহাৰ কৰি ক'বলৈ গ'লে উচ্চ শিক্ষা যদিহে শৰীৰ, পুথিভঁৰাল তেনেহ'লে এই শিক্ষা ব্যৱস্থাৰ আত্মা।

প্ৰাচ্য চিন্তাত মোক্ষ লাভ এটা প্ৰধান লক্ষ্য। পাশ্চাত্য চিন্তাত ধৰ্ম। এই উপলব্ধি স্বামী বিবেকানন্দৰ। দুয়োটা চিন্তাতে মানৱ মুক্তিৰ সন্ধান আছে, আনন্দৰ আৱাহন আছে। ধৰ্ম হৈছে কাৰ্যভিত্তিক এক পৰিস্থিতি। অৰ্থাৎ উচ্চ শিক্ষাৰ সৈতে জড়িত লোকসকলক তেওঁলোকৰ ধৰ্ম কি বুলি সুধিলে উত্তৰটো হ'ব সমাজৰ বাবে সু-নাগৰিক তৈয়াৰ কৰি দিয়াই এই শিক্ষা কৰ্মীসকলৰ ধৰ্ম। ধৰ্ম এই অৰ্থত কৰ্তব্যবোধৰ নামান্তৰ মাথোন। আনহাতে পুথিভঁৰালৰ সৈতে জড়িত লোকসকলৰ ধৰ্ম কি বুলি প্ৰশ্ন কৰিলে; প্ৰাচ্য চিন্তাৰ আধাৰত এই প্ৰশ্নৰ উত্তৰ দিব খুজিলে, আমাৰ উত্তৰ হ'ব সমাজৰ সকলো স্তৰৰ লোকৰ মাজত, সমাজৰ সকলো জটিল পৰিস্থিতিৰ মাজত শতিকা শতিকা জুৰি সংৰক্ষিত হৈ অহা জ্ঞানক অহৰহ






বিলাই দিয়াটোৱেই পুথিভঁৰালৰ সৈতে জড়িত লোকসকলৰ ধৰ্ম। ইয়াৰ উদাহৰণৰূপে আমি পূৰ্বৰ আলেকজেণ্ড্ৰিয়াৰ পুথিভঁৰাল জুলিয়াচ চিজাৰে ধ্বংস কৰি দিয়াৰ পাছত তাৰ পৰা অতি তৎপৰতাৰে পাণ্ডুলিপি আঁতৰাই নিয়া লোকসকলৰ কথা ক'ব পাৰো। আনহাতে ইউৰোপৰ নৱজাগৰণৰ সূচনা কৰা এটা ঘটনালৈও আমি এইখিনিতে মনত পেলাব পাৰো। মধ্য যুগত কন্‌ষ্টানটিনোপ'লোৰ পতনৰ পিছত তাত সংৰক্ষিত হৈ থকা অমূল্য গ্ৰন্থসম্ভাৰ বুকুত বান্ধি জাকে জাকে পলাই অহা পণ্ডিতসকলে সমগ্ৰ ইউৰোপত বিয়পাই দিয়া জ্ঞানৰ অসংখ্য বন্তিৰ যোগেদি সৃষ্টি হোৱা নৱজাগৰণৰ ঘটনা এই ক্ষেত্ৰৰ আনটো প্ৰসিদ্ধ উদাহৰণ।


অসমীয়া মানুহৰ মাজত গ্ৰন্থ সংৰক্ষণৰ পৰম্পৰাৰ স্পষ্ট ইতিহাস আমাৰ হাতত নাই। কিন্তু হিউয়েন চাঙে কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাৰ অনন্ত জ্ঞানৰ স্পৃহাক সশ্ৰদ্ধাৰে উল্লেখ কৰি গৈছে। দৰাচলতে ভাস্কৰ বৰ্মাৰ জ্ঞান স্পৃহাকেই অসমীয়া পুথিভঁৰালৰ ইতিহাসৰ ঊষালগ্ন বুলি ধৰিব পাৰি। ভাস্কৰ বৰ্মাই চীনা জীৱন-দৰ্শনৰ অন্যতম আধাৰ লাওৎচেৰ *তাও তে চিঙ* নামৰ গ্ৰন্থখনৰ অনুবাদৰ কথা হিউয়েন চাঙক কৈছিল। অৰ্থাৎ জ্ঞানৰ জগতৰ দুটা সভ্যতা— ভাৰতীয় আৰু চীনা সভ্যতাৰ মাজত চিন্তাৰ এক আদান-প্ৰদানৰ বাবে এই অসমীয়া মানুহজনা তেতিয়াই আগ্ৰহী হৈ উঠিছিল। আমাৰেই দুৰ্ভাগ্য যে কুৰি শতিকাতহে এইখন গ্ৰন্থৰ অসমীয়া অনুবাদ সম্ভৱপৰ হ'ল। সি যি কি নহওক অসমীয়া মননত গ্ৰন্থ আৰু গ্ৰন্থৰ সৈতে জড়িত চিন্তাৰ প্ৰতি এক শ্ৰদ্ধাক আমি তাহানি কালৰে পৰা

দেখিছো বুলি ক'লে ভুল কোৱা নহ'ব। আহোম স্বৰ্গদেউসকলে বুৰঞ্জী প্ৰণয়নৰ মাধ্যম আৰু তাৰ সংৰক্ষণৰ যোগেদি পুথিভঁৰালৰ পাতনি মেলিলে। এই ব্যৱস্থা ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতাত সম্ভৱপৰ হৈ উঠা এটা ব্যৱস্থা আছিল। আনহাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৰোগত কৰি গঢ় লোৱা সত্ৰ অনুষ্ঠানসমূহে সাচিপতীয়া পুথি আদিৰ যোগেদি এক ধৰণৰ পুথিভঁৰালৰ পৃষ্ঠপোষকতা কৰি গ'ল।

কিন্তু আধুনিক অসমত, অৰ্থাৎ ঊনবিংশ শতিকাৰ নৱজাগৰণৰ সময়ছোৱাত যিটো ঘটনাই আমাক অসমৰ পুথিভঁৰালৰ ইতিহাসত প্ৰথমটো খুঁটা ৰূপে ভাবিবলৈ অৱকাশ দিয়ে, সেইটো হ'ল আনন্দৰাম ঢেকিয়াল ফুকনে কলিকতা মহানগৰীৰ পৰা জাহাজ যোগে কিতাপ আনি অসমত উপস্থিত কৰোৱাৰ কথাটো। ঢেকিয়াল ফুকনৰ ব্যক্তিগত সংগ্ৰহত চাৰি আলমাৰি কিতাপ আছিল। সেই কিতাপৰ বিস্তৃত তালিকা ঢেকিয়াল ফুকনে আমালৈ এৰি যোৱা নাই। কিন্তু বিষয় অনুসৰি ভাগ কৰি সেইবিলাক গ্ৰন্থ সযতনে ৰখা হৈছিল। তেওঁৰ ৰচনাৱলী অধ্যয়নে দেখুৱাই যে তেওঁ প্ৰশাসনীয় কাম-কাজত নাইবা অন্য ধৰণৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰতে সেই সময়ৰ শেহতীয়া তথ্য-পাতি নাইবা জ্ঞানৰ সৈতে পৰিচিত আছিল। ঢেকিয়াল ফুকনৰ বিষয়ে কোৱা হয় যে তেখেত বংগ দেশৰ নৱজাগৰণৰ সৃষ্টি কৰোতা ৰাজা ৰামমোহন ৰায়তকৈ কোনো গুণে কম নহয়। নিচেই কম বয়সতে



*আলেকজেণ্ড্ৰিয়াৰ আধুনিক পুথিভঁৰাল*



অসমৰ প্ৰশাসনীয় ব্যৱস্থা সম্পৰ্কে যি প্ৰতিবেদন তেওঁ যুগুতাইছিল, সি এই কথালৈ ইংগিত দিয়ে যে তেওঁৰ ব্যক্তিগত পুথিভঁৰাল চহকী নহ'লে এনে ধৰণৰ চিন্তা-চৰ্চা কৰাটো হয়তো সম্ভৱপৰ নহ'লহেঁতেন।

ইয়াৰ পিছতে যিটো ব্যক্তিগত পুথিভঁৰাললৈ অসমীয়া মানুহে শ্ৰদ্ধাৰ চকুৰে চাই সেইটো হ'ল কৃষ্ণকান্ত সন্দিকৈৰ বিৰাট গ্ৰন্থাগাৰ। অক্সফ'ৰ্ডৰ ম'ডাৰ্ণ হিষ্ট্ৰিৰ উচ্চ ডিগ্ৰীধাৰী মানুহজনে ব্যক্তিগত পুথিভঁৰালৰ বাবে ক'ত গ্ৰন্থ সংগ্ৰহ কৰা নাই? লণ্ডন, পেৰিছ, বাৰ্লিন সকলোতে তেওঁ ৰাশি ৰাশি গ্ৰন্থ ক্ৰয় কৰিছে। সযতনে সেইবোৰ যোৰহাটলৈ পঠিওৱাৰ ব্যৱস্থা কৰিছে। দৰাচলতে প্ৰাচ্যবিদ্যাৰ্ণৱ সন্দিকৈ অসমলৈ ঘূৰি অহাৰ পাছত সকলোৱে কৈছিল ঃ তেওঁৰ দেউতাকে হেনো পুত্ৰক বিলাতলৈ পঠিয়াই এটা লাইব্ৰেৰীহে অসমলৈ আনিলে! অলপ ধেমেলিয়াকৈ কোৱা কথা হ'লেও এই কথা সত্য। বৰ্তমানৰ গুৱাহাটী বিশ্ববিদ্যালয়ত সংৰক্ষিত হৈ থকা সন্দিকৈদেৱৰ পুথিভঁৰালত চকু ফুৰালেই ইয়াৰ সত্যতা নিজে নিজে প্ৰতিপন্ন হয়। সন্দিকৈদেৱৰ ৰচনাৱলীত সন্নিৱিষ্ট ৰচনাসমূহ তেখেতৰ প্ৰগাঢ় অধ্যয়ন আৰু এনে পুথিভঁৰালৰ উপযোগিতাক সাব্যস্ত কৰিছে। কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিগত পুথিভঁৰাল দৰাচলতে এজন মানুহৰ পুথিভঁৰাল হৈ থকা নাই। ই অসমীয়া মানুহৰ জ্ঞান-চৰ্চাৰ এক প্ৰতীক ৰূপে থিয় দিছে। সেয়েহে অসমৰ পুথিভঁৰালৰ ইতিহাসত তেখেতৰ ব্যক্তিগত সংগ্ৰহৰ কথাখিনি আমি বাদ দি যাব নোৱাৰো।

আনহাতে এই ব্যক্তিগত পুথিভঁৰালটোক, য'ত ১০ হেজাৰৰো অধিক গ্ৰন্থ আছে, বিশ্ববিদ্যালয়লৈ দান দি তেওঁ সামাজিক দায়বদ্ধতাৰে পৰিচয়

দি গৈছে। আমাৰ জাতীয় জীৱনৰ যিসকল প্ৰাতঃস্মৰণীয় নাম, যেনে— গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, সত্যনাথ বৰা, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, সূৰ্য কুমাৰ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ, মহেশ্বৰ নেওগ সকলোৰে একো একোটা সমৃদ্ধিশালী আৰু উপযোগিতাপূৰ্ণ পুথিভঁৰালৰ অধিকাৰী আছিল। গতিকে পুথিভঁৰালৰ প্ৰয়োজনীয়তাক লৈ অসমীয়া মননত কোনো দ্বিধা নাই। কিন্তু সময়ৰ সোঁতে বহুবোৰ কথা ধুই নিয়াৰ দৰে পুথিভঁৰালৰ প্ৰতিও যেন আমাৰ আগ্ৰহ দিনক দিনে টুটি গৈছে। এই আগ্ৰহ হ্ৰাস পোৱাৰ কাৰণটো এটা অকলশৰীয়া কাৰণ নহয়। ই দৰাচলতে অন্যান্য সামাজিক কেতবোৰ কাৰকৰ ফলহে। সেয়েহে পুথিভঁৰালক ইয়াৰ হৃত মৰ্যাদা ঘূৰাই দিয়াৰ বাবে আমি সক্ৰিয় হোৱাৰ সময় সমাগত।

আমাৰ মাজত যোৱাটো শতিকাৰ ৯০ দশকৰ পৰা এটা ধাৰণাৰ সৃষ্টি হৈছে যে পুথিভঁৰালৰ এতিয়া আৰু প্ৰয়োজন নাই। কম্পিউটাৰৰ সহায়ত, ইণ্টাৰনেট ব্যৱস্থাৰ যোগেদি যিহেতু তথ্য আহৰণ অত্যন্ত সহজ হৈ পৰিছে, সেয়েহে কিতাপ কিনাৰ দৰকাৰেই বা কি? ইয়াৰ উত্তৰত আমি ক'ব লাগিব যে পুথিভঁৰাল মানে অকল কিতাপৰ সংগ্ৰহ নহয়। কিতাপ থৈ দিলে এটা পুথিভঁৰাল গঢ়ি নুঠে। পুথিভঁৰাল জ্ঞান বিতৰণৰ কেন্দ্ৰ, মত বিনিময়ৰ মঞ্চ। আমি ওপৰত উল্লেখ কৰিছো যে ইউৰোপত য'ত তথ্য প্ৰযুক্তি সকলোবোৰ মানুহে হাতৰ মুঠিতে পাব পাৰে তাতেই ১৪ মিলিয়ন লোকে মাত্ৰ এটা বছৰতে পুথিভঁৰালৰ সহায় লৈছে। অৰ্থাৎ পুথিভঁৰালে ইয়াৰ কাম-কাজৰ ধৰণ-কৰণ (areas and modes of operations)ক সম্পূৰ্ণৰূপে সলাই পেলাইছে। সময়ৰ দাবীত আৰু ইয়াৰ ব্যৱহাৰকাৰীসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পুথিভঁৰালত নিতৌ সংযোজিত হৈছে নতুন নতুন অংগ। এই অংগবোৰে পুথিভঁৰালৰ সামাজিক মৰ্যাদা বৃদ্ধি কৰাৰ লগতে জ্ঞান-চৰ্চা, জ্ঞানৰ বিতৰণ, তথ্য কেন্দ্ৰ, সাংস্কৃতিক কেন্দ্ৰ আৰু নিয়োজনৰ সন্ধেদ পাব পৰা থলীলৈ ইয়াক ৰূপান্তৰিত কৰিছে। অৰ্থাৎ পুথিভঁৰাল এতিয়া কেতবোৰ নিৰ্জীৱ গ্ৰন্থৰ সংগ্ৰহ নহয়; ই জীৱনক উদ্বেলিত কৰিব পৰা, সজীৱ কৰি তুলিব পৰা এক মঞ্চ। আটাইতকৈ ডাঙৰ কথা পুথিভঁৰালৰ ব্যৱহাৰকাৰীৰ মাজত কোনো ধৰণৰ বৈষম্য

নাথাকে। ধনী, দুখীয়া সকলোৱে সমানে পুথিভঁৰালৰ সুবিধা লাভ কৰিব পাৰে। উচ্চ শিক্ষাৰ আদৰ্শও এয়াই। সমাজৰ সকলোজনে উচ্চ শিক্ষাৰ সুফলসমূহ লাভ কৰক; আৰ্থিক অৱস্থা, বয়সৰ বৈষম্য, শিক্ষাগত বৈষম্যই উচ্চ শিক্ষাৰ সুফলসমূহ লাভ কৰাৰ পৰা কাকোকে বঞ্চিত কৰি নাৰাখক— উচ্চ শিক্ষাৰ এয়া স্পষ্ট আৰু দ্বিধাহীন লক্ষ্য।

পুথিভঁৰালে এক স্বতন্ত্ৰতালৈ আমাক লৈ যাব পাৰে। বাধাৰ প্ৰাচীৰ নেওচি, আনুষ্ঠানিক প্ৰতিবন্ধকতাক আঁতৰাই ৰাখি আমি জীৱন আৰু দৰ্শনৰ কেতবোৰ মৌলিক প্ৰশ্নৰ সন্মুখীন হ'ব পাৰো। সেয়েহে বহু সময়ত আক্ৰমণকাৰীসকলে, সমাজৰ অশুভ শক্তিয়ে পুথিভঁৰালক আক্ৰমণৰ লক্ষ্য কৰি লয়। একেবাৰে শেহতীয়া উদাহৰণটো হ'ল আফ্ৰিকাৰ টিমবাক্টু নামৰ চহৰখনৰ প্ৰাচীন আৰু বিখ্যাত পুথিভঁৰালটো বকোহাৰাম নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে ধ্বংস কৰাৰ কাৰ্য। এই পুথিভঁৰালটোক ইউনেস্ক'ই ইয়াৰ ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। আৰব বিশ্বৰ জ্ঞান-চৰ্চাৰ ইতিহাস এই পুথিভঁৰালত সংৰক্ষিত হৈ ৰৈছিল। কিন্তু এক সন্ত্ৰাসবাদী সংগঠনে এই পুথিভঁৰাল ধ্বংস কৰিলে। কাৰণ এই পুথিভঁৰালত সংৰক্ষিত হৈ থকা জ্ঞান তেওঁলোকৰ মতাদৰ্শতকৈ পৃথক আছিল। কিন্তু তাৰ মাজতে, অৰ্থাৎ সন্ত্ৰাসবাদীৰ এই নৃশংস আক্ৰমণৰ মাজতো এচাম লোকে নিজৰ প্ৰাণ তুচ্ছ কৰি তাত থকা গ্ৰন্থবোৰ (প্ৰাচীন পাণ্ডুলিপিসমূহ) নিৰাপদ ঠাইলৈ লৈ যাবলৈ সক্ষম হ'ল। এইসকল লোকৰ বাবেই পুথিভঁৰাল



*টিমবাক্টুৰ গ্ৰন্থ আৰু অন্যান্য সম্পদসমূহ সংৰক্ষণৰ বাবে যোৱা ইউৰোপীয় সংঘৰ এক প্ৰতিনিধি দল*

বৰ্তি আছে; ভৱিষ্যতেও সকলো সংকটৰ মাজত গ্ৰন্থ সংৰক্ষণৰ প্ৰতি মানুহৰ বিৰাট স্পৃহা নিঃসন্দেহে বৰ্তি থাকিব। উল্লেখ্য যে টিমবাক্‌টুৰ গ্ৰন্থসমূহৰ সংৰক্ষণৰ বাবে ইউৰোপীয় সংঘই বিশাল পৰিমাণৰ ধনৰাশি ইতিমধ্যে আগবঢ়াইছে।

বিশ্বৰ বহু প্ৰান্তত পুথিভঁৰালসমূহে নিয়মিত বক্তৃতা অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী, তৰুণ প্ৰজন্মৰ মাজত আলোচনা-চক্ৰৰ আয়োজন কৰাৰ লগতে বয়স্কসকলৰ জীৱন সুন্দৰ আৰু সহনীয় কৰি তোলাৰ বাবে কাম কৰি আহিছে। পুথিভঁৰালৰ এনেধৰণৰ কাম-কাজৰ ধাৰণাটোক দাৰ্শনিক স্তৰত autonomy building বুলি কোৱা হয়। ইয়াৰ জৰিয়তে সমাজ এখনৰ গণতান্ত্ৰিক প্ৰমূল্যক বৰ্তাই ৰখা, সকলোৰে বাবে শিক্ষাৰ সুবিধাক সুনিশ্চিত কৰা আৰু তথ্যৰ নিৰৱচ্ছিন্ন প্ৰবাহক বৰ্তাই ৰখাটোকে বুজোৱা হয়। অৰ্থাৎ গণতন্ত্ৰৰ এক লাইখুঁটা ৰূপে পুথিভঁৰালে সমাজত কাম কৰি যাব পাৰে।

আমি এনেবোৰ কথা জনাৰ, ভবাৰ পিছত কিয়নো মহাবিদ্যালয় পৰ্যায়ত থকা পুথিভঁৰালসমূহ সমাজৰ সকলো লোকৰ বাবে মুকলি কৰি দিব নোৱাৰো? কাৰণ ৰাইজৰ তেজ, ঘাম আৰু শ্ৰমেৰে এটা সময়ত এই মহাবিদ্যালয়সমূহ গঢ়ি উঠিছিল। গতিকে মহাবিদ্যালয়সমূহে উচ্চ শিক্ষাৰ পোহৰ বিলাবলৈ যাওতে ৰাইজৰ অৱদানৰ কথা পাহৰি গ'লে নচলিব। ৰাজ্যখনৰ মহাবিদ্যালয়সমূহে ইয়াৰ পুথিভঁৰালসমূহক অন্ততঃ সমাজৰ সকলোৰে কামত অহাৰ এক মঞ্চ ৰূপে নিজকে দাঙি ধৰিব পাৰিলে উচ্চ শিক্ষাৰ সামাজিক দায়বদ্ধতাও নিজে নিজে সাব্যস্ত হ'ব।

আমি যিসকল উচ্চ শিক্ষাৰ সৈতে জড়িত লোক, তেওঁলোকে পুথিভঁৰালক বাদ দি এক মুহূৰ্তও চলিব নোৱাৰে। কিন্তু পুথিভঁৰালৰ সামাজিক দায়বদ্ধতাৰ অনুশীলন তেতিয়াহে সম্পূৰ্ণ হ'ব, যেতিয়া পুথিভঁৰালৰ প্ৰয়োজনক সমাজৰ সকলোৱে উপলব্ধি কৰিব। আজি আমি দেশৰ বিভিন্ন প্ৰান্তত তথ্য সাক্ষৰতা (information literacy)ৰ কথা কৈছো। তথ্য লাভেই আমাৰ বাবে পৰ্যাপ্ত নহয়; এই তথ্যৰ বিশ্লেষণ কৰি কিদৰে আমাৰ জীৱনৰ সমৃদ্ধিকৰণ সম্ভৱ হ'ব পাৰে, সেয়া দেখুওৱাৰ ক্ষেত্ৰত পুথিভঁৰাল আমাৰ এক গুৰুত্বপূৰ্ণ সংগী হ'ব পাৰে।

বিশ্বৰ বহু প্ৰান্তত পুথিভঁৰালসমূহে নিয়মিত বক্তৃতা অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী, তৰুণ প্ৰজন্মৰ মাজত আলোচনা-চক্ৰৰ আয়োজন কৰাৰ লগতে বয়স্কসকলৰ জীৱন সুন্দৰ আৰু সহনীয় কৰি তোলাৰ বাবে কাম কৰি আহিছে। পুথিভঁৰালৰ এনেধৰণৰ কাম-কাজৰ ধাৰণাটোক দাৰ্শনিক স্তৰত autonomy building বুলি কোৱা হয়। ইয়াৰ জৰিয়তে সমাজ এখনৰ গণতান্ত্ৰিক প্ৰমূল্যক বৰ্তাই ৰখা, সকলোৰে বাবে শিক্ষাৰ সুবিধাক সুনিশ্চিত কৰা আৰু তথ্যৰ নিৰবচ্ছিন্ন প্ৰবাহক বৰ্তাই ৰখাটোকে বুজোৱা হয়। অৰ্থাৎ গণতন্ত্ৰৰ এক লাইখুঁটা ৰূপে পুথিভঁৰালে সমাজত কাম কৰি যাব পাৰে।

... ... ... ... ... ... ...

আমি যিসকল উচ্চ শিক্ষাৰ সৈতে জড়িত লোক, তেওঁলোকে পুথিভঁৰালক বাদ দি এক মুহূৰ্তও চলিব নোৱাৰে। কিন্তু পুথিভঁৰালৰ সামাজিক দায়বদ্ধতাৰ অনুশীলন তেতিয়াহে সম্পূৰ্ণ হ'ব, যেতিয়া পুথিভঁৰালৰ প্ৰয়োজনক সমাজৰ সকলোৱে উপলব্ধি কৰিব। আজি আমি দেশৰ বিভিন্ন প্ৰান্তত তথ্য সাক্ষৰতা (information literacy)ৰ কথা কৈছো। তথ্য লাভেই আমাৰ বাবে পৰ্যাপ্ত নহয়; এই তথ্যৰ বিশ্লেষণ কৰি কিদৰে আমাৰ জীৱনৰ সমৃদ্ধিকৰণ সম্ভৱ হ'ব পাৰে, সেয়া দেখুওৱাৰ ক্ষেত্ৰত পুথিভঁৰাল আমাৰ এক গুৰুত্বপূৰ্ণ সংগী হ'ব পাৰে।

গ্ৰন্থাগাৰিক দিৱস ঃ উত্তৰ গুৱাহাটী মহাবিদ্যালয় (১২ আগষ্ট, ২০১৫)